# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-03-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ৰাজ্য চৰকাৰে প্ৰতিবেশী ৰাজ্যসমূহৰ সৈতে দীৰ্ঘদিনীয়া সীমা বিবাদ নিষ্পত্তি কৰাৰ লগতে দখল কৰি থকা এলেকাসমূহ বেদখল কৰাৰ বাবে চলি থকা আলোচনা অন্তিম পৰ্যায়ত আছে। কংগ্ৰেছ বিধায়ক ৰেকিবউদ্দিন আহমেদৰ এটা তৰাযুক্ত প্ৰশ্নৰ উত্তৰত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি বিধানসভাত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অসম-মেঘালয় আৰু অসম-অৰুণাচল প্ৰদেশৰ বুজাবুজিৰ চুক্তি মতে ভাৰতীয় জৰীপ বিভাগে বৰ্তমান ভূমি জৰীপৰ কাম কৰি আছে আৰু এই জৰীপৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতহে ভূমিৰ সম্পূৰ্ণ তথ্য পোৱা যাব। মন্ত্ৰীগৰাকীয়ে কয় যে অসম-মেঘালয়ৰ মাজত ১২টা এলেকাত সীমা বিবাদ আছে। এই ১২টা এলেকাৰ ভিতৰত প্ৰথম পৰ্যায়ত ছটা অঞ্চলৰ বাবে তিনিখনকৈ আঞ্চলিক কমিটী গঠন কৰা হৈছে আৰু দুয়োখন ৰাজ্যৰে আঞ্চলিক কমিটীবোৰে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ সৈতে আলোচনা কৰি পাৰস্পৰিক মত বিনিময়েৰে নিজ নিজ চৰকাৰক প্ৰতিবেদন দাখিল কৰিছে। সেই অনুযায়ী দুয়োখন ৰাজ্যৰ চৰকাৰৰ যুটীয়া সিদ্ধান্ত মৰ্মে আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। মেঘালয়ে দাবী কৰা ছটা অঞ্চল সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত নতুন দিল্লীত বুজাবুজি চুক্তি কৰা হৈছে। সেইদৰে অসম-অৰুণাচল প্ৰদেশৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্য চৰকাৰে ১২ খনকৈ আঞ্চলিক কমিটী গঠন কৰিছে। এই কমিটীসমূহেও প্ৰতিবেদন দাখিল কৰিছে। অৰুণাচল প্ৰদেশে দাবী কৰা ১২৩ খন গাঁও সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত ইতিমধ্যে চুক্তিও সম্পাদন হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৩৭ খন বিছনাযুক্ত অত্যাধুনিক ৰোগী সেৱা সুবিধা থকা এটা ভৱনৰ আধাৰশিলা স্থাপন কৰে। অইল ইণ্ডিয়া লিমিটেডৰ ক'ৰ্পৰেট সামাজিক দায়বদ্ধতাৰ অংশ হিচাপে সংযোজন হোৱা ৪ মহলীয়াকৈ নিৰ্মাণ কৰিবলগীয়া এই ভৱনটো সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰোগীসকলক উন্নত চিকিৎসা সেৱা প্ৰদান কৰিব পৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালিৰে পৰা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কৰ্মচাৰীসকলে সপ্তম দৰমহা আয়োগৰ পৰামৰ্শ অনুসৰি বেতনসহ বকেয়া প্ৰদান, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি সম-কাম, সম-বেতন আৰু সমান সুযোগ সুবিধাৰ দাবীত তিনিদিনীয়া কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰিছে। যোৰহাট জিলাৰ কাকজান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি এন এইচ এমৰ অধীনত কৰ্মৰত চিকিৎসক তথা স্বাস্থ্যকৰ্মীসকলে প্ৰতিবাদ সাব্যস্ত কৰে।

নগাঁও জিলাৰ কঠিয়াতলি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতো বহুসংখ্যক চিকিৎসক, নাৰ্চ তথা স্বাস্থ্যকৰ্মীয়ে আজি প্ৰতিবাদী কাৰ্যসূচীত অংশ লয়।

শিৱসাগৰ, ধেমাজি, শিলচৰ, দক্ষিণ শালমাৰা মানকাচৰ, বৰপেটা, বজালী, ধুবুৰী, কামৰূপ আদি জিলাতো এন এইচ এমৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলেও প্ৰাপ্য অধিকাৰৰ দাবীত কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাতৰি পোৱা গৈছে। স্বাস্থ্য কৰ্মীসকলৰ কৰ্মবিৰতিৰ ফলত জনসাধাৰণ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে।

০০০০০

যোৰহাট জিলা কৃষি বিভাগৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থাৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ কৃষক মেলা অনুষ্ঠিত হৈছে। মেলা উদ্বোধন কৰি জিলাখনৰ অতিৰিক্ত আয়ুক্ত পংকজ বৰাই কৃষক পঞ্জীয়ন কাৰ্যসূচীৰ বিষয়ে অৱগত কৰি কয় যে অনাগত সময়ত কৃষি বিভাগৰ যিকোনো আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ কৃষক পঞ্জীয়ন বাধ্যতামূলক হ'ব পাৰে। তেওঁ জিলাখনৰ কৃষি, পশুপালন আৰু পশু চিকিৎসা, ৰেচম, মীন, কৃষক উৎপাদক কোম্পানী, কৃষক গোটকে ধৰি সকলোকে একগোট হৈ কাৰ্য ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত জিলাখনৰ ১৩জন কৃষকক সম্বৰ্দ্ধনা জনোৱা হয়। এই মেলাত জিলাখনৰ প্ৰগতিশীল কৃষকসকলে উৎপাদন কৰা বিভিন্ন কৃষিজাত সামগ্ৰী, কৃষি সা-সঁজুলি আদি প্ৰদৰ্শন কৰা হৈছে।

০০০০০

তেজপুৰ বিশ্ববিদ্যালয়ৰ ২০২৫-২৬ শিক্ষা বৰ্ষৰ বিভিন্ন পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনলাইন পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। বিশ্ববিদ্যালয়খনৰ অধীনৰ স্নাতক, স্নাতকোত্তৰ, পি এইচ ডি, ডিপ্লোমা আৰু অন্যান্য পাঠ্যক্ৰমৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে অনলাইনযোগে আবেদন কৰিব পাৰিব। আবেদন জমা দিয়া অন্তিম তাৰিখ ৩০ এপ্ৰিল ধাৰ্য কৰা হৈছে আৰু ৬ৰ পৰা ৮ জুনত তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষা টি ইউ ই ই অনুষ্ঠিত হ'ব।

০০০০০

ৰাজ্যৰ মিচিং জনগোষ্ঠী বসতিপ্ৰধান অঞ্চলসমূহত আজি জনগোষ্ঠীটোৰ অন্যতম কৃষিভিত্তিক উৎসৱ পঃৰাগ বা নৰাছিগা বিহু উদযাপন কৰা হৈছে। ধেমাজি জিলাৰ জোনাইৰ অৰুণাচল সীমান্তৰ পুৰণা জেলমগাঁৱত আজিৰেপৰা তিনিদিনীয়াকৈ এই উৎসৱ অনুষ্ঠিত কৰা হৈছে। উল্লেখযোগ্য যে জনগোষ্ঠীটোৰ লোকসকলে পৰম্পৰা অনুসৰি সৃষ্টিকৰ্তা, মাতৃ, পৃথিৱী তথা পূৰ্বপুৰুষক তুষ্ট কৰাৰ বাবে এই উৎসৱ পালন কৰি আহিছে। ডেকা-গাভৰুসকলৰ নেতৃত্বত আয়োজন কৰা এই উৎসৱলৈ দূৰণিলৈ বিয়া হৈ যোৱা জীয়ৰী আৰু জোঁৱাইসকলকো নিমন্ত্ৰণ কৰি আদৰণি জনোৱা হয়। সকলোকে সুস্বাদু খাদ্যৰে আপ্যায়ন কৰি ডেকা-গাভৰুসকলে নৃত্য গীতো পৰিৱেশন কৰে। গাঁওখনৰ পৰা অপায়-অমংগল দূৰ কৰাৰ বাবে পৰম্পৰাগত বিশ্বাসেৰে এই পঃৰাগ উৎসৱ বা নৰা ছিগা বিহু পালন কৰা হয়।

০০০০০

সমাপ্ত